# Phone call between Prime Minister Shri Narendra Modi and H.E. Andrzej Duda, President of Poland

March 01, 2022

## প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোদী আৰু পোলেণ্ডৰ ৰাষ্ট্ৰপতি শ্ৰীযুত আন্দ্ৰেজেজ ডুডাৰ মাজত টেলিফোনিক বাৰ্তালাপ

প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোদীয়ে আজি পোলেণ্ডৰ ৰাষ্ট্ৰপতি শ্ৰীযুত আন্দ্ৰেজেজ ডুডাৰ সৈতে টেলিফোনযোগে কথা পাতে।

ইউক্ৰেইনত আৱদ্ধ হৈ থকা ভাৰতীয় নাগৰিকসকলক ঘূৰাই অনাৰ ক্ষেত্ৰত পোলেণ্ডৰ সহযোগিতা আৰু ভিছা অবিহনে ভাৰতীয় নাগৰিকসকলক পোলেণ্ডত প্ৰৱেশৰ সুযোগ কৰি দিয়াত প্ৰধানমন্ত্ৰী, ৰাষ্ট্ৰপতি ডুডাক ধন্যবাদ জনায়। এই কঠিন পৰিস্থিতিত পোলিচ জনসাধাৰণে যিদৰে ভাৰতীয় নাগৰিকসকলক উষ্ণ অভ্যৰ্থনা জনায়, তাৰবাবে তেওঁ পোলেণ্ডবাসীক প্ৰশংসা কৰে।

প্ৰধানমন্ত্ৰী মোদীয়ে এই প্ৰসংগত উভয় দেশৰ মাজত দীৰ্ঘদিনীয়া বন্ধুত্বপূৰ্ণ সম্পৰ্কৰ কথা উল্লেখ কৰে। গুজৰাটত ২০০১ চনত ভূমিকম্পৰ পাছত পোলেণ্ডৰ সাহায্য আৰু দ্বিতীয় বিশ্ব যুদ্ধৰ সময় বহু পোলিচ পৰিয়াল আৰু অনাথ শিশুসকলক জামনগৰৰ মহাৰাজে কৰা সহায়ৰ কথাও স্মৰণ কৰে প্ৰধানমন্ত্ৰীয়ে।

ৰাষ্ট্ৰপতি ডুডাক প্ৰধানমন্ত্ৰী মোদীয়ে কয় যে তেওঁৰ বিশেষ দূত হিচাপে কেন্দ্ৰীয় পথ পৰিবহণ, ঘাইপথ আৰু অসামৰিক বিমান পৰিবহণ বিভাগৰ ৰাজ্যিক মন্ত্ৰী জেনেৰেল ড০ ভি কে সিং (অৱসৰপ্ৰাপ্ত)ক পোলেণ্ডলৈ প্ৰেৰণ কৰা হৈছে। ডং সিঙে অনাগত কেইটামান দিনত ভাৰতীয় নাগৰিকসকলক স্বদেশলৈ ঘূৰাই অনাৰ ক্ষেত্ৰত তদাৰক কৰিব।

সংঘাত পৰিহাৰ কৰি কূটনৈতিক আলোচনাৰ মাজেৰে সমস্যা সমাধান কৰাৰ বাবে ভাৰতৰ আহ্বানৰ কথাও প্ৰধানমন্ত্ৰীয়ে পুনৰবাৰ উল্লেখ কৰে। তেওঁ প্ৰতিখন ৰাষ্ট্ৰৰ ভৌগোলিক অখণ্ডতা আৰু সাৰ্বভৌমত্বক শ্ৰদ্ধা জনোৱাৰ ওপৰত গুৰুত্ব আৰোপ কৰে।

নতুন দিল্লী

মাৰ্চ 01, 2022

DISCLAIMER: This is an approximate translation. The original is available in English on MEA's website and may be referred to as the official press release.